# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-DEC-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------

১। নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ সৈতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্যখনৰ বিত্তীয় ক্ষেত্ৰৰ বিভিন্ন বিষয়ত আলোচনা।

২। গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত ট্ৰিবিউন গোষ্ঠীৰ অধ্যক্ষ তথা যশস্বী সাংবাদিক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ ৰাজ্যিক মৰ্যাদাৰে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন।

৩। কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়াধীশৰ আদালতত কাইলৈ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা দাখিলৰ পাছত প্ৰথমটো শুনানী।

**আৰু**

৪। সমাগত অসম বিধানসভা নিৰ্বাচনৰ বাবে বৈজয়ন্ত পাণ্ডাক বিজেপিৰ নিৰ্বাচনী তত্বাৱধায়ক হিচাপে নিযুক্তি।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনক সাক্ষাৎ কৰি ৰাজ্যখনৰ বিত্তীয় ক্ষেত্ৰৰ বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰে। এই আলোচনাত ৰাজ্যখনৰ উন্নয়ন আৰু জনকল্যাণৰ লক্ষ্যৰে কেইবাটাও বিষয়ত গুৰুত্ব আৰোপ কৰা হয় বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে অসমৰ বিকাশৰ যাত্ৰাত নিৰন্তৰ সমৰ্থন আগবঢ়াই অহাৰ বাবে কেন্দ্ৰীয় বিত্তীমন্ত্ৰীগৰাকীক কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০

যোৱানিশা দেহাৱসান ঘটা অসমৰ সংবাদ জগতৰ মহীৰূহ, দি আছাম ট্ৰিবিউন কাকতৰ সম্পাদক, ট্ৰিবিউন গোষ্ঠীৰ অধ্যক্ষ তথা বৰ্ষীয়ান সাংবাদিক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ অন্ত্যেষ্টিক্ৰিয়া গুৱাহাটী নৱগ্ৰহ শ্মশানত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন হয়। ৰাজ্য চৰকাৰৰ হৈ বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু পীযূষ হাজৰিকাই শেষকৃত্যথলীত উপস্থিত হৈ শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ আগেয়ে তেওঁৰ নশ্বৰদেহ আজি পুৱাৰ ভাগত কৰ্মস্থল দি আছাম ট্ৰিবিউন চৌহদত ৰখা হয়। ইয়াতেই গুণমুগ্ধসকলে তেওঁলৈ শেষ শ্ৰদ্ধা তৰ্পণ কৰে। শেষ শ্ৰদ্ধা জ্ঞাপন কৰি মন্ত্ৰী অজন্তা নেওগে এনেদৰে কয়—

**বাইট (অজন্তা নেওগ)**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৰ্ষীয়ান সাংবাদিকগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে সংবাদ জগতলৈ আগবঢ়োৱা অৱদানৰ বাবে বৰুৱা চিৰস্মৰণীয় হৈ ৰ'ব। শ্ৰীমোদীয়ে লগতে অসমৰ প্ৰগতি তথা ৰাজ্যখনৰ সংস্কৃতিক জনপ্ৰিয় কৰি তোলাৰ দিশত সাংবাদিকগৰাকীৰ একনিষ্ঠ সেৱাৰ কথা সোঁৱৰে। প্ৰধানমন্ত্ৰীয়ে বৰুৱাৰ পৰিয়াল আৰু গুণমুগ্ধসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে।

উল্লেখযোগ্য যে দীৰ্ঘকাল ধৰি দৈনিক অসম কাকতৰ সম্পাদক হিচাপেও দায়িত্ব পালন কৰা প্ৰফুল্ল গোবিন্দ বৰুৱাই ২০১৮ চনত পদ্মশ্ৰী সন্মান লাভ কৰিছিল। উত্তৰ-পূৰ্বাঞ্চলৰ সংবাদ জগতৰ অন্যতম বৰেণ্য ব্যক্তি বৰুৱাই সাংবাদিকতাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে বহু সন্মান লাভ কৰিছিল। সাহিত্য, কলা আৰু সংস্কৃতিলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে অসম সাহিত্য সভাই তেওঁক সম্বৰ্ধনা জ্ঞাপন কৰিছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্য, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈকে ধৰি বিভিন্নজনে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০

কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়াধীশৰ আদালতত কাইলৈ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা দাখিলৰ পাছত প্ৰথমটো শুনানী গ্ৰহণ কৰা হ'ব। আদালতৰ নিয়ম অনুসৰি প্ৰথমটো শুনানীৰ পূৰ্বে আটাইকেইগৰাকী অভিযুক্তক আদালতত অভিযোগনামাৰ প্ৰতিলিপি দিয়া হয়। সেয়েহে কাইলৈৰ শুনানীৰ বাবে আদালতত ৭ অভিযুক্তকে নিয়ম অনুসৰি হাজিৰ কৰাব লাগে। অসম আৰক্ষী অভিযুক্তকেইগৰাকীৰ নিৰাপত্তাজনিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আদালতত অভিযুক্তসকলক ভাৰ্চুৱেলী হাজিৰ কৰোৱাৰ সুবিধা দিয়াৰ বাবে আবেদনমূলক প্ৰাৰ্থনা জনাইছে। অৱশ্যে আদালতে এতিয়ালৈ আৰক্ষীৰ এই আবেদন মঞ্জুৰ কৰা নাই। একে সময়তে আৰক্ষীয়ে সাতোটা অভিযুক্তকে গুৱাহাটীলৈ আনিবলৈও সাজু হৈছে। তাৰ বাবে হাফলং আৰু বাক্সাৰ কাৰাগাৰলৈ বিশেষ বাহন প্ৰেৰণ কৰা হৈছে। উল্লেখযোগ্য যে বাক্সাৰ নিকাছী কাৰাগাৰত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা, শ্যামকানু মহন্ত, সন্দীপন গাৰ্গৰ লগতে পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৈশ্যক ৰখা হৈছে। আনহাতে আন দুই অভিযুক্ত শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্ত হাফলঙৰ কাৰাগাৰত আছে। আটাইকেইগৰাকী অভিযুক্তকে ইয়াৰ পূৰ্বে ভাৰ্চুৱেলী চাৰিবাৰকৈ আদালতত হাজিৰ কৰোৱা হৈছে।

০০০০০

গোৱালপাৰা জিলাৰ ৰামপুৰৰ বাদুংদুপ্পা কলাকেন্দ্ৰৰ বাকৰিত আজি দিনজোৰা কাৰ্যসূচীৰে চলিত বছৰৰ 'আন্দাৰ দা শাল ট্ৰী' নাট সমাৰোহ অনুষ্ঠিত হয়। প্ৰয়াত নাট্যকৰ্মী শুক্ৰাচাৰ্য ৰাভাই প্ৰতিষ্ঠা কৰা বাদুংদুপ্পা কলাকেন্দ্ৰৰ উদ্যোগত সম্পূৰ্ণ অভিনৱ শৈলীৰে প্ৰতিবছৰে শাল গছৰ তলত সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশৰ মাজত এই সমাৰোহ অনুষ্ঠিত হয়। কৃত্ৰিম দৃশ্যসজ্জা, আলোকসজ্জা, আধুনিক বাদ্যযন্ত্ৰৰ অবিহনে পৰম্পৰাগত বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰি এই নাট সমাৰোহ অনুষ্ঠিত হয়। বিগত ১৬ বছৰ ধৰি ৰামপুৰ গাঁৱৰ সংৰক্ষিত বনাঞ্চলত শ শ শালগছৰ মাজৰ এডোখৰ ভূমিক মঞ্চ ৰূপ দি দিনৰ ভাগত নাট মঞ্চস্থ কৰি অহা হৈছে। এই নাট সমাৰোহৰ জৰিয়তে থলুৱা লোকনাট্য সংস্কৃতিক ব্যতিক্ৰমীভাৱে জীয়াই ৰখাৰ প্ৰয়াস কৰা হৈছে। সমাৰোহত আজি দিনৰ ১০ বজাত ধনঞ্জয় ৰাভা পৰিচালিত ৰাভা ভাষাৰ নাট 'ৰঞ্জুমুখ' মঞ্চস্থ কৰা হয়।

**নাটক**

দিনৰ আঢ়ৈ বজাত ছেমুৱেল বেকেটৰ মূল নাট ৱেইটিং ফৰ গডোৰ হিল্লোল কুমাৰ পাঠকে কৰা অসমীয়া অভিযোজনা আৰু অংশুমান শইকীয়াৰ পৰিচালনাৰে 'এদিন তেওঁ আহিব' নাটখন পৰিবেশন কৰা হয়। বিয়লি চাৰে ৫ বজাত অনুপ হাজৰিকাৰ পৰিচালনাৰে 'দেৰ ইঞ্চ উপৰ' নামৰ হিন্দী ভাষাৰ নাটখন মঞ্চস্থ কৰা হ'ব। উল্লেখযোগ্য যে প্ৰতি বছৰে এই ব্যতিক্ৰমী নাট সমাৰোহ উপভোগ কৰিবলৈ দেশ-বিদেশৰ বিভিন্ন প্ৰান্তৰ লোকৰ সমাগম হয়।

০০০০০

ভাৰতীয় জনতা পাৰ্টিয়ে সমাগত অসম বিধানসভা নিৰ্বাচনৰ বাবে দলৰ ৰাষ্ট্ৰীয় উপ-সভাপতি বৈজয়ন্ত পাণ্ডাক নিৰ্বাচনী তত্বাৱধায়ক হিচাপে নিযুক্তি দিছে। দলে লগতে বিধায়ক আৰু জম্মু-কাশ্মীৰ বিধানসভাত বিৰোধী দলৰ নেতা সুনীল কুমাৰ শৰ্মা আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী দৰ্শনা বেন জৰ্ডোছক এই নিৰ্বাচনৰ সহ-তত্বাৱধায়ক হিচাপে নিযুক্তি দিছে।

০০০০০

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ ছেছন হলত আজি পৰিষদৰ বিশেষ অধিবেশন অনুষ্ঠিত হয়। পৰিষদৰ অধ্যক্ষ ৰাজু টিছ'ৰ অধ্যক্ষতাত অনুষ্ঠিত অধিবেশনত বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে চলিত বিত্তীয় বৰ্ষৰ বাবে ১০০ কোটি টকাৰ পৰিপূৰক দাবী মঞ্জুৰি সদনত দাখিল কৰে। পাছত সদনে এই দাবীমঞ্জুৰিত অনুমোদন জনায়। কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা এই ১০০ কোটি টকাৰে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুঠ ২৬টা সমষ্টিৰ ৰাইজৰ অভাৱ-

অভিযোগ পূৰণ কৰিৰলৈ পৰিপূৰক বাজেটত অনুমোদন জনোৱা হৈছে বুলি মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে সদনক জানিবলৈ দিয়ে।

০০০০০

কোকৰাঝাৰৰ তাৰাং নৈৰ পাৰত অহা ২৮ ডিচেম্বৰৰ পৰা কমতা সংগীত মহোৎসৱ অনুষ্ঠিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। ১২ দিনীয়াকৈ হ'বলগীয়া এই মহোৎসৱত কেইবাহাজাৰো শিল্পীয়ে কোচ-ৰাজবংশী জনগোষ্ঠীৰ পৰম্পৰাগত গীত আৰু লোকনৃত্যৰ লগতে অন্যান্য নৃত্যগীত পৰিবেশন কৰিব। ইয়াৰ বাবে মহোৎসৱস্থলীত মূল প্ৰশিক্ষকসকলে ভালেসংখ্যক যুৱক-যুৱতী আৰু কিশোৰ-কিশোৰীক প্ৰশিক্ষণ প্ৰদান কৰি আাছে।

০০০০০

গোৱালপাৰা জিলাৰ অসম-মেঘালয় সীমান্তৱৰ্তী হাতীগাঁও অঞ্চলৰ ৰাইজে এটা স্বেচ্ছাসেৱী সংস্থাৰ সহযোগত আজি পৰম্পৰাগতভাৱে খেতি চপোৱা উৎসৱ পালন কৰে। কৃষকসকলৰ পথাৰৰ ধান লগে-ভাগে চপাই আজি এই উৎসৱ পালন কৰা হয়। ৰাইজে পৰম্পৰা ৰক্ষা কৰি বাদ্যযন্ত্ৰ বজাই খেতি চপোৱাৰ পাছত সমূহীয়া ভোজ-ভাতৰ আয়োজন কৰে।

০০০০০

বৰপেটা জিলাৰ হাউলীৰ সমীপৰ মৈৰামাৰাত আজি এজন লোকৰ পৰা ১ লাখ ২৫ হাজাৰ টকা জাল নোট জব্দ কৰা হয়। আৰক্ষী আৰু হাউলীস্থিত এছ্ এচ বি ৬৪ নম্বৰ বেটেলিয়নৰ দলে অভিযান চলাই এখন ই-ৰিক্সাৰ পৰা জালনোটখিনি জব্দ কৰাৰ লগতে এজন লোকক আটক কৰে। জিলাখনৰ মন্দিয়াৰ বাসিন্দা লোকজনে এই জালনোটসমূহ হাউলীলৈ সৰবৰাহ কৰিছিল বুলি আৰক্ষীৰ জেৰাত জানিবলৈ দিয়ে।

০০০০০

সমাপ্ত